# PROCHESTA

AN ANNUAL BULLETIN OF BIKALI COLLEGE, DHUPDHARA
DIST: GOALPARA, ASSAM

BIKALI COLLEGE
DHUPDHARA
ESTD - 1982

VOLUME - VII
ISSUE - VII
5th SEPTEMBER-2015

# PROCHESTA

## প্ৰচেষ্টা

**An Annual Bulletin of Bikali College, Dhupdhara**
**Dist.: Goalpara, Assam**

**VOLUME - VII**
**ISSUE - VII**
**5th SEPTEMBER-2015**

*Published by Bikali College Teachers' Unit and Edited by- Dr. Alpana Sarkar.*
*Printed at White Leaf Publication, Dhupdhara*

## প্ৰচেষ্টাৰ সম্পাদনা সমিতি

সভাপতি ঃ সভাপতি, বিকালী মহাবিদ্যালয় শিক্ষক গোট

সম্পাদিকা ঃ ড° আল্‌পনা সৰকাৰ

সদস্যবৃন্দ ঃ অধ্যাপক দীনবন্ধু কলিতা

অধ্যাপক ভূপতি দাস

অধ্যাপক প্ৰশান্ত পাঠক

অধ্যাপিকা মাইনাশ্ৰী বসুমতাৰী

অধ্যাপক পঙ্কজ ৰাভা

# MESSAGE

*It gives me immense pleasure to learn that the 7th Annual Volume of Prochesta is going to be published soon. The meaning of this bulletin also signifies the objective and attention given by every sections of the institution in the processes of upliftment of the same. It is worth noting that, we all the stakeholders are highly responsible to translate the dreams of our forefathers who laid foundation of this College. In the changing global scenario it is even more challenging to survive a rural based college without the dynamic thinking and activities suited to the present world. This temple of higher learning is our local resource as well as a national resource, hence we are quite committed to uplift and preserve at any cost. The students in particular are highly duty bound to achieve quality education, securing higher marks, point grades (CGPA) like the top ranking colleges of Assam. We are committed to ensure these academic developments with a changing teaching-learning processes and other extra-curricular activities.*

**Dr. Malina Devi Rabha**
Principal
Bikali College, Dhupdhara

# সম্পাদকৰ তুলিকাত ....

'প্ৰচেষ্টা' প্ৰকাশৰ যো-জা চলি থকা অৱস্থাতে আমি হেৰুৱালো এক উদ্দীপ্ত মনৰ গৰাকী ২০২০ চনৰ গৌৰৱময় ভাৰতৰ স্বপ্নদ্ৰষ্টা মহান মনীষী ড°এ.পি.জে. আব্দুল কালাম, যিগৰাকী ব্যক্তি ভাৰত যুক্তৰাষ্ট্ৰৰ একাদশ ৰাষ্ট্ৰপতিয়েই নাছিল তেওঁ আছিল বিশ্ব বন্দিত এক মহান পুৰুষ। আমি প্ৰথমেই এই মহান ব্যক্তিৰ বিদেহ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনালোঁ। লগতে এইবছৰ পৰলোকলৈ গমন কৰা আমাৰ বিভিন্ন ক্ষেত্ৰৰ দিক্‌দৰ্শক সকলৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

'প্ৰচেষ্টা' বিকালী মহাবিদ্যালয় শিক্ষক গোটৰ বৌদ্ধিক প্ৰচেষ্টাৰ পৰিচায়ক। আমাৰ কাম-কাজৰ আগ্ৰহ আন্তৰিক, কিন্তু ক্ষমতা সীমিত। এই ক্ষুদ্ৰ ক্ষমতাৰে বিকালী কলেজৰ শিক্ষকগোটে শ্ৰেণীত পাঠদানৰ উপৰিও বিভিন্ন দিশত কলেজক নেতৃত্ব দি আহিছে। 'প্ৰচেষ্টা'ত সেই অৱদানৰ কিয়দাংশহে সন্নিবিষ্ট হৈছে। প্ৰচেষ্টাত উল্লেখ কৰা বিষয়সমূহৰ উপৰিও বিকালী কলেজত বসুন্ধৰা নেচাৰ ক্লাব, জনজাতি অধ্যয়ন কেন্দ্ৰ, লোক-সংস্কৃতি অধ্যয়ন কেন্দ্ৰ, গান্ধীয়ান অধ্যয়ন কেন্দ্ৰ, মানৱ অধিকাৰ অধ্যয়ন কেন্দ্ৰ, অসম বিজ্ঞান সমিতিৰ শাখা, এন. এছ.এছ. ৰাভা লিটাৰেলি ছ'ছাইটি, বড়ো লিটাৰেৰি ছ'ছাইটি, স্কাউট এণ্ড গাইড আদি বিভিন্ন দিশত চিন্তাচৰ্চা কৰা হয়। বৰ্তমান শিক্ষাৰ উদ্দেশ্য হৈছে পাঠ্যবিষয়সমূহত পাঠদান কৰাৰ উপৰিও উন্নতমানৰ সম্পদ তৈয়াৰ কৰাৰ বাবে অইন দিশসমূহতো সমানে গুৰুত্ব প্ৰদান কৰা। এইক্ষেত্ৰত বিকালী কলেজৰ পদক্ষেপ শলাগিবলগীয়া। মহাবিদ্যালয়ৰ অধ্যক্ষাৰ নেতৃত্বত বিভিন্ন বিভাগৰ শিক্ষকসকলে বিভিন্ন দিশত শিক্ষাৰ্থীসকলক আগবঢ়াই নিয়াৰ বাবে সবল নেতৃত্ব দি আহিছে। ২০১৪-১৫শিক্ষা বৰ্ষত অসম সাহিত্য সভাৰ সহযোগিতাত ড° মহেশ্বৰ নেওগ জন্ম শতবৰ্ষৰ আৰম্ভণি অনুষ্ঠান এই মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয়। ২০১৫-১৬ শিক্ষাবৰ্ষত অসম সাহিত্যসভাৰ সহযোগত 'বিকালী কলেজ জনজাতি অধ্যয়ন কেন্দ্ৰ'ৰ উদ্যোগত চাৰিদিনীয়া কাৰ্যসূচীৰে 'ভাৰীগান'ৰ কৰ্মশালা আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। তদুপৰি কেৰিয়াৰ কাউন্সিলিং, অৰ্থনীতি বিভাগৰ উদ্যোগত 'গৱেষণা পদ্ধতি' বিষয়ক কৰ্মশালাও অনুষ্ঠিত হৈছে। সকলো অনুষ্ঠানতে আমাৰ শিক্ষকগোটে, শাৰীৰিক, মানসিক, আৰ্থিক, বৌদ্ধিক সকলো দিশতে সহায় কৰিছে। আমি আশাবাদী যে বিকালী মৌজাৰ ৰাইজৰ আশা ভৰসাৰ স্থল বিকালী কলেজে গুণগত মানৰ শিক্ষাদানৰ উপৰিও পাঠ্যক্ৰম বহিৰ্ভূত দিশতো নেতৃত্ব দি ৰাইজৰ আশা পূৰণ কৰিবলৈ সমৰ্থ হ'ব।

জয়তু বিকালী কলেজ।

আল্‌পনা সৰকাৰ
অসমীয়া বিভাগ

# থোৰতে বিকালী কলেজ

অবিভক্ত গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ প্ৰহৰীস্বৰূপ ধূপধৰা। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথে চহৰখনক সোঁমাজেৰে পূবা-পশ্চিমাকৈ দুভাগ কৰিছে। ইয়াতে বাৰন্নখন গাঁৱৰ সমষ্টিৰে গঢ় লৈ উঠিছে বিকালী মৌজা। বিকালী মৌজাৰ পিতৃস্বৰূপ 'বিকালী মৌজা উন্নয়ন সমিতি'ৰ মানস সন্তান এই অঞ্চলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান বিকালী কলেজ। জনজাতি বসতি প্ৰধান ঠাইখনত ইং ১৯৮২ চনতে স্থাপন কৰা বিকালী কলেজে যোৱা ৩৩ বছৰে গুণগত শিক্ষাৰ ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। কলা শাখাৰে আৰম্ভ হোৱা এই কলেজত ২০০৫-০৬ শিক্ষা বৰ্ষত বাণিজ্য শাখা আৰম্ভ কৰা হৈছে। কলা আৰু বাণিজ্য দুয়োটা শাখাতে সকলো বিষয়ৰ গুৰু (মেজৰ) পাঠ্যক্ৰমত পাঠদান কৰা হয়। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দুবাৰকৈ এই কলেজৰ শিক্ষাৰ্থীয়ে প্ৰথম দহ জনৰ ভিতৰত স্থান পাবলৈ সক্ষম হৈছে। প্ৰতিটো বিভাগৰ পৰাই প্ৰথম শ্ৰেণী লাভ কৰা শিক্ষাৰ্থীৰ সংখ্যা দিনে দিনে বাঢ়ি আহিছে। ২০১২ চনত অসমীয়া বিভাগৰ শিক্ষাৰ্থী ৰুকুনুদ্দিন আহমেদে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত 'ৰেকৰ্ড মাৰ্ক' লাভ কৰি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ উত্তীৰ্ণ হৈছে।

এইবেলি ২০১৫-১৬ শিক্ষাবৰ্ষত বিজ্ঞান শাখা খোলা হৈছে। ইতিমধ্যে দুবাৰকৈ 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ' (NAAC) ৰ দ্বাৰা কলেজখনক মূল্যায়ন কৰা হৈছে আৰু যথাক্ৰমে C++ আৰু B গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। তৃতীয় বাৰ মূল্যায়নৰ বাবে বিকালী কলেজ পৰিয়ালে পূৰ্ণ প্ৰস্তুতি চলাইছে।

২০১৩-১৪ শিক্ষাবৰ্ষত এই কলেজত অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলা হৈছে, আৰু প্ৰথমটো দলে এইবাৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। যোৱা তিনিটা ষান্মসিকৰ ফলাফলে আমাক আশাবাদী কৰি তুলিছে যে স্নাতকোত্তৰ শ্ৰেণীতো আমি গুণগত শিক্ষা দান কৰিব পাৰিছো। বৰ্তমান প্ৰায় ১৮০০ তকৈ অধিক শিক্ষাৰ্থীয়ে এই কলেজত শিক্ষা গ্ৰহণ কৰি আছে।

●●●

# CONTENTS


| | | |
|---|---|---|
| • NEW CONCEPT OF HISTORY AND ITS FEW VALUES | Dr. Bibhuti Kalita | ১ |
| • 'অ' মোৰ আপোনাৰ দেশ'ঃ সমন্বয় যাত্ৰা আৰু বিকালী কলেজ | ৰেণুকা ভট্টাচাৰ্য | ৩ |
| • IMPACT OF GLOBALISATION ON WOMEN | Dr. Abdul Haque Ahmed | ৬ |
| • REMOTE SENSING AND GIS COURSES IN DEPARTMENT OF GEOGRAPHY | Dr. M.G. Singh | ৯ |
| • POPULAR LECTURE ON HUMAN RIGHT | Dr. Prasanta Chakrabarty | ১০ |
| • IMPORTANCE OF THE STUDY OF HISTORY | Mina Sarma | ১২ |
| • Role of Bikali College NSS Unit | Sayed Ali1 Ahmed | ১৪ |
| • OBSERVANCE OF INTERNATIONAL LITERACY DAY: A REPORT | Bhupati Das | ১৫ |
| • Bikali College Women's Cell | Monalisha Roychaudhury | ১৬ |
| • Extension Activities and Bikali College | Rajlakshmi Hazarika | ১৯ |
| • Assam Science Society Dhupdhara Branch | Dr. Bonti Bordoloi | ২০ |
| • Environmental Field Studies conducted by the Department of Mathematics, Bikali College | Abdul Wahed | ২২ |
| • BORONI PHICHA O AYEN: A STUDY (The first printed book of Boros) | Champaboti Khakhalary | ২৪ |
| • Electronic Waste: A Present Problem | Jeuty Talukdar | ২৮ |
| • Computer Education In Bikali College | Bichitra Saha | ৩০ |
| • Necessity of Learning Science | Suman Sarkar | ৩২ |
| • Photo | | ৩৩ |


•••

# NEW CONCEPT OF HISTORY AND ITS FEW VALUES

**Dr. Bibhuti Kalita**
Associate Professor & HoD
Deptt. of History.

The word 'History' has been decided from the Greek word Historia, which means " what has actually happened in the past." In fact history is a very precious subject. It tell as about the human civilization of the past days. Henry Johnson remarked 'History has always been what human beings thought about the past and in this sense it has always been of creation of the past.

From the above discussion, it is clear that in the olden days and up to the medieval times, history deals with the kings and queens, their ministers and courtiers, their generals and warriors and national heroes. History was generally written to eulogise royal personalities, the life of general people was simply ignored. In the old days there was no distinctions between history and mythology. In those days history was not given a respectable place.

But in the 19th century with the advance of physical sciences attitude of the history was entirely changed up till now the main aim and concept of study of history was eulogise the exaggerated past, but now its purpose was to understand the actual present with the help of the history of the past. So the historical events were used for literary artistic, political, religious and social purpose. History in connected as already started with the various facts of the human life. History is a science as well is on art, it has the elements of both in it. Now history occupies a very respectable and important place. It is to be given an important place in the curriculum. It provides us with a knowledge of past and so help us to broaden our path of future.

Teaching of history has certain values as well, before we talk of the values of teaching history, we should have an idea of the difference between the aims and values. Values are the gains of those aims. In fact we achieve those values when we have acquired the aims. It has rightly been remarked, 'Aims are an end in it self and

values are the product." The following are a few values of teaching history.

(i) Through history an attempt is made to enrich the knowledge of the student on the basis of the past experiences. An attempt is also made to develop the sprit of sympathy and self confidence.

(ii) Through the teaching of history an attempt is made to inspire the students to achieve great deeds.

(iii) Teaching of history also strengthens the relationship between the teachers and taught.

(iv) Through the study of history is possible to develop effectiveness in our life.

(v) It develops in the students the qualities that may help them to adjust themselves with society.

(vi) It lead to the intellectual developments of the child. The child tries to employ his intellect in the solution of various problems children, when they study the deeds of great heores like, Shivaji, Rana Pratap Lachit Barphukan, Sultana Rezia etc feel to be like them. If this thinking could be given a practical shape, it shall be very useful for the students and the society as large.

(vii) It develops the power of reasoning and thinking in the student.

(viii) It also develops in the students the quality of objectivity and impartiality. It encourages them to take up the service of mankind without any self interest.

(ix) Teaching of history can generate in the students, the interest of studying the deeds of great man. With this study, their feelings are directed towards the high ideals and values.

(x) History can develop the qualities of patriotism, ideal citizenship and service for the motherland.

●●●●

*History is an understanding dialogue between present and the past and the chief function of the historian is to master and understand the past as a key to the understanding of the present.*

*-C.H. Car*

# 'অ' মোৰ আপোনাৰ দেশ'ঃ সমন্বয় যাত্ৰা আৰু বিকালী কলেজ

ৰেণুকা ভট্টাচাৰ্য
তত্ত্বাৱধায়িকা, সাংস্কৃতিক বিভাগ

১৯১০ চন ১৮৩২ শকৰ মে মাহৰ বাঁহী আলোচনীৰ প্ৰথম বছৰ সপ্তম সংখ্যাত অসমৰ জাতীয় জীৱনৰ বৰেণ্য ব্যক্তি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে ৰচনা কৰা 'মোৰ দেশ' গীতটি ১৯২৪ চনত অসম সাহিত্য সভাৰ ডিব্ৰুগড়ত অধিবেশনত জাতীয় সংগীত ৰূপে অসমীয়া ৰাইজে গ্ৰহণ কৰাৰ পিছত ১৯২৭ চনৰ অক্টোবৰ মাহত তেজপুৰত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্মিলনৰ বছৰেকীয়া অধিবেশনত 'অ' মোৰ আপোনাৰ দেশ' ৰূপে পৰিচিত হৈ প্ৰসাৰ লাভ কৰে।

২০১২ চনৰ মে মাহৰ পৰা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ প্ৰাক্ ডেৰশ বছৰীয়া জন্ম জয়ন্তী পালন কৰা হয়। নগাঁৱৰ 'নৱৰূপ জাতীয় বিদ্যাপীঠ' আৰু 'পৰিধি'ৰ উদ্যোগত লগতে নগাঁৱৰ বহু ব্যক্তি আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত অসমীয়া ভাষা সাহিত্য আৰু জাতীয় সমন্বয় সংহতিৰ উদ্দেশ্যে অসমৰ জাতীয় সংগীতটো বিভিন্ন জনগোষ্ঠীয় ভাষালৈকো অনুবাদ কৰি বিভিন্ন জাতি জনগোষ্ঠীৰ ৰাইজৰ উপস্থিতত সমূহীয়াকৈ পৰিবেশন কৰাৰ কথা চিন্তা কৰি কবি জীৱন নৰহে আঁত ধৰা সভাত বিভিন্ন বক্তাই সুচিন্তিত মন্তব্য আগবঢ়ায় আৰু অধ্যাপক কমল চন্দ্ৰ শইকীয়াই বেজবৰুৱাদেৱৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী 'অ' মোৰ আপোনাৰ দেশ সমন্বয় যাত্ৰা' ৰূপে পালন কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। সমবেত সকলোৱে প্ৰস্তাৱ সমৰ্থন কৰি আন্তৰিকতাৰে গ্ৰহণ কৰে। পৰবৰ্তী পৰ্যায়ত 'নৱৰূপ জাতীয় বিদ্যাপীঠ' আৰু 'পৰিধি'য়ে সমগ্ৰ অসম আৰু উত্তৰ পূৰ্বাঞ্চল ঘূৰি জাতীয় সংগীত বহুকেইটা ভাষাত পৰিৱেশন কৰি জাতি জনগোষ্ঠীৰ সমন্বয়ৰ সেতু বন্ধাৰ প্ৰয়াস কৰে। অসম, মেঘালয়, অৰুণাচলৰ উপৰিও কলিকতা, দিল্লী আৰু সুদূৰ জাৰ্মানীতো এই সংগীত পৰিৱেশন কৰা হয়।

এই সমন্বয় যাত্ৰাত বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মলিনা দেৱী ৰাভাৰ পৰিচালনাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলেও তলত উল্লিখিত স্থানসমূহত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অনুপম সৃষ্টি 'অ' মোৰ আপোনাৰ দেশ' বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সংহতি স্থাপনৰ বাবে পৰিৱেশন কৰি আহিছে।

১৬-১২-২০১২ ঃ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ

ডেৰশতম জন্ম জয়ন্তী উদ্‌যাপন কৰাৰ উদ্দেশ্যে বিকালী মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে কবি জীৱন নৰহৰ পৰিচালনাত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতটো ১২ টা ভাষা ৰাভা, বড়ো, গাৰো, হাজং, ৰাজবংশী, মণিপুৰী, বাংলা, বাগানীয়া, নাগামিজ, আদি, হিন্দী, অসমীয়াত পৰিৱেশন কৰা হয়।

৩১-১২-২০১২ ঃ

গুৱাহাটী চান্দমাৰী উত্তৰ পূব গ্ৰন্থমেলাত কবি জীৱন নৰহৰ পৰিচালনাত ওপৰত উল্লিখিত ১২ টা ভাষাত 'অ' মোৰ আপোনাৰ দেশ' পৰিৱেশন কৰা হয়।

১৭-১১-২০১৩ ঃ

নগাঁৱৰ নেহৰুবালীত ৰসৰাজ বেজবৰুৱাদেৱৰ ডেৰশতম জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠানত চাৰিটা ভাষা ৰাভা, গাৰো, ৰাজবংশী আৰু হাজংত ১০০ জন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা হয়।

২৫-০১-২০১৪ ঃ

বিকালী মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুকলি সভাতো ১৪ টা ভাষা ৰাভা, বড়ো, গাৰো, হাজং, ৰাজবংশী, মণিপুৰী, বাংলা, বাগানীয়া, নাগামিজ, আদি, হিন্দী, অসমীয়া, মিচিং, আৰু তিৱাত পৰিৱেশন কৰা হয়।

৩১-০১-২০১৪ ঃ

প্ৰগতি ৰাভা শাখা সমাজৰ উদ্যোগত ধূপধৰা হাইস্কুল খেলপথাৰত অনুষ্ঠিত দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ ৫২ সংখ্যক বাৰ্ষিক অধিৱেশনত ৫ টা ভাষা গাৰো, ৰাভা, হাজং, বড়ো, অসমীয়াত পৰিবেশন কৰা হয়।

২৬-০৬-২০১৪ ঃ

ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ দ্বাৰা দুধনৈ ৰজহুৱা খেলপথাৰত অনুষ্ঠিত গণতন্ত্ৰ দিৱসত ১৪ টা ভাষা ৰাভা, বড়ো, গাৰো, হাজং, ৰাজবংশী, মণিপুৰী, বাংলা, বাগানীয়া, নাগামিজ, আদি, হিন্দী, অসমীয়া, মিচিং আৰু তিৱাত পৰিৱেশন কৰা হয়।

১৫-০২-২০১৪ ঃ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ দ্বাৰা দুধনৈ চিলুক বাখৰাপাৰাত অনুষ্ঠিত 'জনকৃষ্টি' সমাৰোহত ৫টা ভাষা গাৰো, ৰাভা, হাজং, বড়ো আৰু অসমীয়াত পৰিবেশন কৰা হয়।

১৪-১০-২০১৪ ঃ

অসম চৰকাৰৰ দ্বাৰা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত আয়োজিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী অনুষ্ঠানত ৯ টা ভাষা ৰাভা, বড়ো, মিচিং, ৰাজবংশী, হাজং, ডিমাছা, গাৰো, তিৱা আৰু অসমীয়াত পৰিৱেশন কৰা হয়।

১৮-১০-২০১৪ ঃ

ড° মহেশ্বৰ নেওগৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিকালী মহাবিদ্যালয়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠানত ৮ টা ভাষাত পৰিৱেশন কৰা হয়।

৩১-১০-২০১৪ ঃ

বিকালী মহাবিদ্যালয় Rabha Literary Society ৰ ৬ষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত ৰাভা আৰু অসমীয়া ভাষাত পৰিৱেশন কৰা হয়।

২৭-১২-২০১৪ ঃ

পাণ্ডুঘাটত কামৰূপ মহানগৰ সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসত ৬ টা ভাষা ৰাভা, বড়ো, ৰাজবংশী, হাজং, অসমীয়া আৰু বাংলাত পৰিৱেশন কৰা হয়।

১০-০১-২০১৫ ঃ

Royal Global Educational Institution ৰ সহযোগত অসম সাহিত্য সভাৰ সমাৱৰ্তন ২০১৪ ত লখৰাত অনুষ্ঠিত ৬ টা ভাষা ৰাভা, বড়ো, ৰাজবংশী, হাজং, অসমীয়া আৰু বাংলাত পৰিৱেশন কৰা হয়।

২২-০১০২০১৫ ঃ

Sangeet Natak Academi North East Centre ৰ দ্বাৰা আয়োজিত বিকালী মহাবিদ্যালয়ৰ "Lok-Rong,2015" অনুষ্ঠানত ৫টা ভাষা ৰাজবংশী, ৰাভা, হাজং, বড়ো আৰু অসমীয়াত পৰিৱেশন কৰা হয়।

২৫-০৩০২০১৫ ঃ

সদৌ অসম ছাত্ৰ সন্থাৰ দুধনৈত অনুষ্ঠিত কেন্দ্ৰীয় অধিৱেশনৰ মুকলি সভাত ৫টা ভাষা ৰাজবংশী, ৰাভা, হাজং, বড়ো আৰু অসমীয়াত ১০০ জন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা হয়।

'অ' মোৰ আপোনাৰ দেশ' সমন্বয় যাত্ৰাৰ অংশীদাৰ হৈ বিকালী মহাবিদ্যালয়ে অসমৰ ঐক্য শান্তি সংহতি স্থাপনৰ বাবে বিভিন্ন স্থানত অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' বিভিন্ন জাতি জনগোষ্ঠীয় ভাষাত পৰিৱেশন কৰি সমন্বয় যাত্ৰা অব্যাহত ৰাখিছে।

সদৌ শেষত 'অ' মোৰ আপোনাৰ দেশ সমন্বয় যাত্ৰা'ৰ সৰ্বাঙ্গীন দিশত সাফল্য কামনা কৰিলোঁ।

সহায়ক গ্ৰন্থ


১। 'অ' মোৰ আপোনাৰ দেশ' —লক্ষ্মীনাথ বেজবৰুৱা ঃ সম্পাদনা- জীৱন নৰহ।

২। সমন্বয় যাত্ৰাঃ বেজবৰুৱা আৰু অসমৰ সুৱদি মাতঃ সম্পাদনা- ড° মিলন নেওগ, কমল চন্দ্ৰ শইকীয়া


●●●●

কিবা এটা ডাঙৰ কাম কৰি 'মহৎ' হোৱাতকৈ দৈনন্দিন জীৱনত সদায় 'ভাল' হৈ থকাটো বহুত বেছি কঠিন কাম।

-হোমেন বৰগোহাঞি